**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 13-08 -2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰ্যালয়ে সম্প্ৰচাৰ সেৱা বিধেয়কৰ খচৰা সন্দৰ্ভত মতামত তথা পৰামৰ্শ গ্ৰহণৰ সময়সীমা অহা ১৫ অক্টোবৰলৈ বৃদ্ধি কৰিছে।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ভূপালৰ ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তন সমাৰোহত অংশগ্ৰহণ কৰিব।

৩। কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা EPFO-এ আজি ইয়াৰ কৰ্মচাৰী ভৱিষ্যনিধি হস্তান্তৰ বিষয়ক পঞ্চমটো পোনপটীয়া সত্ৰৰ আয়োজন কৰিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগন্তুক দুটা দিনত দেশৰ মধ্য, উত্তৰ-পূব আৰু দক্ষিণ অঞ্চলত ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। **আৰু**

৫। দেশৰ বিভিন্ন প্ৰান্তৰ স্থানীয় খেলুৱৈসকলক ক্ৰিকেটৰ নায়কসকলৰ সৈতে খেলাৰ সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যে আৰম্ভ হোৱা টি-টুৱেন্টিৰ বিগ ক্ৰিকেট লীগ-BCL-এ প্ৰসাৰ ভাৰতীৰ সৈতে এক ঐতিহাসিক দীৰ্ঘকালীন চুক্তি কৰিছে।

ooooo

তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে সম্প্ৰচাৰ সেৱা বিধেয়কৰ খচৰা সন্দৰ্ভত মতামত আৰু পৰামৰ্শ গ্ৰহণৰ সময়সীমা অহা ১৫ অক্টোবৰলৈ বৃদ্ধি কৰিছে। এই সময়সীমা বৃদ্ধি কৰি মন্ত্ৰালয়ে কয় যে বিধেয়কখনক লৈ বিশদ আলোচনাৰ অন্ততহে নতুন খচৰা আইনখন প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে খচৰা বিধেয়কখন অংশীদাৰী আৰু সাধাৰণ জনতাৰ মতামতৰ বাবে যোৱা নবেম্বৰ মাহতে ৰাজহুৱা কৰা হৈছিল। মন্ত্ৰালয়ে জনোৱা মতে, বিধেয়কৰ খচৰা সন্দৰ্ভত বিভিন্ন সংস্থা তথা ব্যক্তিৰ পৰা একাধিক মন্তব্য আৰু পৰামৰ্শ লাভ কৰা হৈছে।

ooooo

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি ভূপালৰ ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান- IISER ৰ এখন সভাত অংশগ্ৰহণ কৰিব। ভূপালৰ ভাৰতীয় বিজ্ঞান শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠানৰ একাদশ সমাৱৰ্তনত নিৰ্মলা সীতাৰমণ মুখ্য অতিথি হিচাপে উপস্থিত থাকি ভাষণ প্ৰদান কৰিব। এই অনুষ্ঠানত মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ডং মোহন যাদৱো উপস্থিত থাকিব।

ooooo

কৰ্মচাৰী ভৱিষ্যনিধি সংস্থা EPFO-এ আজি ইয়াৰ কৰ্মচাৰী ভৱিষ্যনিধি হস্তান্তৰ বিষয়ক পঞ্চমটো পোনপটীয়া সত্ৰৰ আয়োজন কৰিছে। এই সত্ৰৰ উদ্দেশ্য হৈছে বিভিন্ন সেৱাৰ বিষয়ে ইয়াৰ সদস্য আৰু পেঞ্চনাৰ সকলক শিক্ষিত কৰা। EPFOৰ চৰকাৰী সামাজিক মাধ্যমৰ মঞ্চসমূহত এই পোনপটীয়া সত্ৰ প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, এই সত্ৰত কৰ্মচাৰী

ভৱিষ্যনিধি হস্তান্তৰৰ প্ৰয়োজনীয়তা তথা প্ৰক্ৰিয়াসমূহ সম্বোধন কৰা হ'ব আৰু বিশেষজ্ঞ ব্যক্তিসকলে বিষয়ৰ সন্দৰ্ভত অংশগ্ৰহণকাৰী সকলৰ যিকোনো ধৰণৰ প্ৰশ্নৰ উত্তৰ দিব।

০০০০০

পহিলা এপ্ৰিলৰ পৰা ১১ আগষ্ট পৰ্যন্ত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত ২৩ দশমিক ৯-৯ শতাংশ বৃদ্ধি হৈ ৮ লাখ ১৩ হাজাৰ কোটি টকা হৈছে। আয়কৰ বিভাগে প্ৰকাশ কৰা অনুসৰি যোৱা বছৰৰ এই একে সময়ছোৱাত মুঠ প্ৰত্যক্ষ কৰ সংগ্ৰহৰ পৰিমাণ আছিল ৬ লাখ ৫৫ হাজাৰ কোটি টকা।

০০০০০

ভাৰতীয় ৰে'লৰে খাদ্য সেৱা আৰু পৰ্যটন নিগম- আই আৰ চি টি চি আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চল পৰিবহণ নিগমে ভাৰতীয় ৰে'ল আৰু নমো ভাৰত ৰে'লগাড়ীসমূহৰ যাত্ৰীসকলৰ যাত্ৰা অভিজ্ঞতা বৃদ্ধিৰ উদ্দেশ্যে **এখন ভাৰত-এটা টিকট** উদ্যম মুকলি কৰিবলৈ সহযোগিতা আগবঢ়াইছে। ইয়াৰ জৰিয়তে যাত্ৰীসকলৰ বাবে আই আৰ চি টি চি মঞ্চৰ জৰিয়তে সৰল প্ৰত্যাহাৰ অথবা ধনা আদায়ৰ সহায়ত নমো ভাৰত টিকট ক্ৰয় কৰাৰ সুবিধা প্ৰদান কৰিব। আই আৰ চি টি চিয়ে এখন বিজ্ঞপ্তিযোগে কৈছে যে, যাত্ৰীসকলে নমো ভাৰত ৰে'লগাড়ীৰ টিকটৰ বাবে অনন্য কিউ আৰ ক'ড উলিয়াই ল'ব পাৰিব। এই কিউ আৰ ক'ড চাৰিদিনৰ বাবে বৈধ থাকিব। নমো ভাৰত টিকটসমূহ যাত্ৰাৰ ৪ মাহ পূৰ্বৰে পৰা বুক কৰাৰ সুবিধা আছে বুলি বিজ্ঞপ্তিখনত লগতে প্ৰকাশ কৰা হৈছে।

০০০০০

মধ্যপ্ৰদেশ চৰকাৰে ৰাজ্যখনৰ সকলো নগৰীয়া সংস্থাৰ পৰা নিৰ্বাচিত জনপ্ৰতিনিধিৰ পাৰিতোষিক ২০ শতাংশ বৃদ্ধি কৰাৰ কথা ঘোষণা কৰিছে। মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰী ড০ মোহন যাদৱে কয় যে ইয়াৰ জৰিয়তে অহা মাহৰ পৰা সকলো মেয়ৰ, অধ্যক্ষ, উপাধ্যক্ষ আৰু পাৰিষদ উপকৃত হ'ব। মুখ্যমন্ত্ৰীগৰাকীয়ে কালি ভূপালত অনুষ্ঠিত দেৱী অহিল্যাবাঈ হোলকাৰ মহিলা জনপ্ৰতিনিধি সন্মিলনত ভাষণ প্ৰদান কৰি এই কথা ঘোষণা কৰে।

নগৰীয়া সংস্থাসমূহক আৰ্থিকভাৱে স্বাৱলম্বী হোৱাত সহায়ক হোৱাকৈ বিশেষ আৰ্থিক সহযোগিতা আগবঢ়োৱা হ'ব বুলিও মুখ্যমন্ত্ৰী গৰাকীয়ে ভাষণ প্ৰসংগত উল্লেখ কৰে। তেওঁ কয়, যিখন পৌৰসভাই নিজৰ সংমণ্ডলত কৰ আৰু মাচুলৰ জৰিয়তে আয় সৰ্বাধিক বৃদ্ধি কৰিব, সেইখন পৌৰসভাই ২ কোটি টকা আৰু পৌৰনিগমে ৫ কোটি টকাকৈ প্ৰতিবছৰে বিশেষ আৰ্থিক সহযোগিতা লাভ কৰিব। এই ধনৰাশি আন্তঃগাঁথনি উন্নয়নৰ বাবে পাৰিষদীয় পুঁজি হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগন্তুক দুটা দিনত দেশৰ মধ্য, উত্তৰ-পূব আৰু দক্ষিণ অঞ্চলত ধাৰাষাৰ বৰষুণৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিছে। ইয়াৰ বাবে অঞ্চল কেইটাত বতৰ বিজ্ঞান বিভাগে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰিছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি আগন্তুক ৭ দিনলৈ উত্তৰ-পূব ভাৰতৰ লগতে ৰাজস্থান, উত্তৰ প্ৰদেশ আৰু পূব ভাৰতৰ বিভিন্ন স্থানত বৰষুণ হ'ব। আকাশবাণী সংবাদদাতাৰ সৈতে হোৱা কথা-বতৰাত বতৰ বিজ্ঞান কেন্দ্ৰৰ জ্যেষ্ঠ বিজ্ঞানী আৰ কে জেনামণীয়ে কয় যে তামিলনাডু, ৰয়েলসীমা, কেৰালা আৰু উত্তৰ-পূব ভাৰতৰ বাবে অ'ৰেঞ্জ এলাৰ্ট জাৰি কৰা হৈছে।

তেওঁ লগতে কয় যে এই সময়ছোৱাত পূব ৰাজস্থানত যথেষ্ট বৰষুণ হোৱাৰ সম্ভাৱনা আছে। সমান্তৰালকৈ দেশৰ মধ্য আৰু উত্তৰ অংশতো মুষলধাৰ বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

০০০০০

ইৰাণৰ উপ-ৰাষ্ট্ৰপতি মহম্মদ জাৱেদ জেৰিফে নিযুক্তিৰ মাত্ৰ ১১ দিনৰ পাছতেই পদত্যাগ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী জেৰিফে কয় যে, তেওঁ ইৰাণৰ নতুন প্ৰশাসনৰ কেবিনেট সদস্যসকল নিৰ্বাচিত কৰাৰ বাবে গঠিত পৰিষদৰ মুৰব্বী হিচাপে নিজৰ কাম-কাজৰ ফলাফলক লৈ সন্তুষ্ট নহয়। তেওঁ কয় যে, মনোনীত ১৯ গৰাকীৰ ভিতৰত কমেও ৭ গৰাকী তেওঁৰ প্ৰথম পচন্দৰ সদস্য নাছিল। তেওঁ কয় যে, তেওঁৰ এই বাৰ্তাটো ইৰাণৰ ৰাষ্ট্ৰপতি মাছুদ পেজেস্কিয়ানৰ সৈতে তেওঁৰ অসন্তুষ্টি বা পৰিতাপৰ ইংগিত বহন নকৰে বৰং কৌশলগত বিষয়সমূহৰ বাবে উপ-ৰাষ্ট্ৰপতি হিচাপে তেওঁৰ প্ৰয়োজন সন্দৰ্ভত সন্দেহকে সুচাইছে। নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাষ্ট্ৰপতি শ্ৰী পেজেস্কিয়ানৰ বিষয়ে তেওঁ যি কৈছিল এই সকলোবোৰ সন্দৰ্ভত তেওঁৰ সম্পূৰ্ণ বিশ্বাস আছে বুলি উল্লেখ কৰি তেওঁ নতুন ৰাষ্ট্ৰপতি আৰু তেওঁৰ প্ৰশাসনৰ ব্যৱস্থাৰ প্ৰতি সমৰ্থন আগবঢ়াই যাবলৈ দেশখনৰ প্ৰতি আহ্বান জনাইছে। উল্লেখযোগ্য যে পহিলা আগষ্টত ইৰাণৰ ৰাষ্ট্ৰপতিয়ে কৌশলগত অধ্যয়নৰ বাবে থকা কেন্দ্ৰৰ মুৰব্বী তথা কৌশলগত বিষয়সমূহৰ বাবে উপ-ৰাষ্ট্ৰপতি হিচাপে জেৰিফক নিয়োগ কৰিছিল। শ্ৰী জেৰিফে প্ৰাক্তন ৰাষ্ট্ৰপতি হাছান ৰুহানীৰ অধীনত ২০১৩ চনৰ ২০২১ চনলৈ দেশখনৰ বিদেশ মন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

মহাবীৰ লাচিত বৰফুকনৰ বীৰত্বৰ গাথা সমগ্ৰ দেশৰ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন তথ্য চিত্ৰ নিৰ্মাণৰ বাবে আজি প্ৰসাৰ ভাৰতীৰ সৈতে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। এই বিশেষ তথ্য চিত্ৰখনত ৫২ টা খণ্ড থাকিব। এই উপলক্ষে আজি আয়োজিত অনুষ্ঠানত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে তথ্যচিত্ৰখনৰ জৰিয়তে মহাবীৰগৰাকীৰ বীৰত্বৰ কাহিনী দেশৰ চুকে-কোণে প্ৰচাৰ কৰি উঠি অহা প্ৰজন্মক লাচিত বৰফুকনৰ সাহস আৰু পৰাক্ৰমৰ দ্বাৰা উদ্বুদ্ধ আৰু অনুপ্ৰাণিত কৰাৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। এই তথ্যচিত্ৰখন দূৰদৰ্শন আৰু ইয়াৰ অ' টি টি চেনেলসমূহৰ জৰিয়তে সম্প্ৰচাৰ কৰা হ'ব। তথ্যচিত্ৰখন নিৰ্মাণত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে ১০ কোটিকৈ মুঠ ২০ কোটি টকা ব্যয় কৰিব। আজিৰ অনুষ্ঠানত দূৰদৰ্শনৰ উপ-সঞ্চালকপ্ৰধান অমিত কুমাৰ আৰু ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ সঞ্চালক মীনাক্ষি দাস নাথৰ উপস্থিতিত এই চুক্তি স্বাক্ষৰ কৰা হয়। অনুষ্ঠানত দূৰদৰ্শনৰ সঞ্চালকপ্ৰধান কাঞ্চন প্ৰসাদো উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰী ভূপেন্দ্ৰ যাদৱে দেশত হাতী-মানুহৰ সংঘাত হ্ৰাস কৰাৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰিছে। বিশ্ব হস্তী দিৱস উপলক্ষে চত্তিশগড়ৰ ৰাজধানী ৰায়পুৰত কালি সন্ধিয়া আয়োজিত এটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ কাৰ্যসূচী মুকলি কৰি মন্ত্ৰীগৰাকীয়ে এই বিষয়ে প্ৰকাশ কৰে।

০০০০০

স্থানীয় খেলুৱৈসকলক ক্ৰিকেটৰ নায়কসকলৰ সৈতে খেলাৰ সুযোগ প্ৰদান কৰাৰ উদ্দেশ্যে আৰম্ভ কৰা টি-টুৱেণ্টিৰ বিগ ক্ৰিকেট লীগ-BCL-এ প্ৰসাৰ ভাৰতীৰ সৈতে এক ঐতিহাসিক দীৰ্ঘকালীন চুক্তি কৰিছে। BCLৰ উদ্বোধনী সংস্কৰণ চলিত বৰ্ষৰ অহা মাহত লক্ষ্ণৌত অনুষ্ঠিত হ'ব। BCLৰ খেলসমূহ ডিডি-স্পৰ্টছ চেনেলযোগে পোনপটীয়াকৈ সম্প্ৰচাৰ কৰা হ'ব আৰু প্ৰসাৰ ভাৰতীয়ে ইয়াৰ আটাইবোৰ নেটৱৰ্কৰ জৰিয়তে এই খেলসমূহ সম্প্ৰচাৰ কৰিব। BCLৰ প্ৰথম সংস্কৰণৰ খেল ১৩ খন দেশত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সম্প্ৰচাৰ কৰা হ'ব। এই প্ৰতিযোগিতাত ৬টা দলে অংশগ্ৰহণ কৰিব।

০০০০০

সমাপ্ত